















# পুনৰুত্থানটি




পুনৰুত্থানটি

ঈশ্বৰৰ বাক্য, বাইবেলত

এই কাহিনী পোৱা যায়

মথি ২৬ – ২৮, লূক ২২ – ২৪,
যোহন ১৩ – ২১ অধ্যায়।

"তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।"
গীতমালা ১১৯:১৩০ পদ

লখিছিে: Edward Hughes
ব্যাখ্যা কৰছিে: Janie Forest
Alastair Paterson

গ্ৰহণ কৰছিে: Lyn Doerksen
অনুবাদ কৰছিে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.

কাহিনী 54 ৰ 60

**M1914.org**

**Bible for Children, PO Box 3, Winnipeg MB R3C 2G1 Canada**

অনুমতি: এই কাহিনীটো নকল বা ছপা কৰা অধিকাৰ
আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিবি।

ঈশ্বৰে জানে, আমি বেয়া কামবোৰ কৰিলো,
যাক তেওঁ পাপ বুলি আখ্যা দিয়ে। পাপৰ বেচ হৈছে মৃত্যু।

**ঈশ্বৰে আমাক *ইমান* প্ৰেম কৰে যে,** আমাৰ পাপৰ বেচ ক্ৰুচত মৃত্যু বৰণ কৰিবলৈ তেওঁ নিজৰ পুত্ৰক পঠাই দিছিল। **যীচু জীৱিত হৈ** স্বৰ্গলৈ উভতি গল এতিয়া ঈশ্বৰে আমাক পাপ ক্ষমা কৰি দিব পাৰে।


তুমি যদি তোমাৰ পাপবোৰলৈ পিঠি দিব বিচৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা: প্ৰেমময় ঈশ্বৰ, মই বিশ্বাস কৰো যে, যীচুৱে মোৰ কাৰণে মৃত্যুবৰণ কৰিলে আৰু এতিয়া তেওঁ জীৱিত। অনুগ্ৰহ কৰি মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰি দিয়ক, যাতে মই এতিয়া এক নতুন জীৱন পাব পাৰো, আৰু আপোনাৰ লগত চিৰকাল থাকিব পাৰো। আপোনাৰ সন্তান হিচাপে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন। যোহন ৩:১৬ পদ।

**বাইবেলখন পঢ়িবা আৰু** প্ৰতিদিনেই **ঈশ্বৰৰ লগত কথোপকথন কৰিবা!**

অসমীয়া Assamese







নাই, নহয়! ঈশ্বৰ বিফল হোৱা নাছিল। যীচুৱে ভুল কৰা নাছিল। প্ৰতি মূৰ্হূত্ততে যীচুৱে জানিছিল দুষ্ট লোকবিলাকে তেওঁক মৃত্যুদণ্ড দিব। আনকি যীচু কেচুঁৱা থাকোতে চিমিয়োন নামে এজন বৃদ্ধলোকে মৰিয়মক কৈছিল যে আগত থকা দিনবোৰত দুখ আছে।
3
যীচুক বধ কৰা কিছুদিন আগতে এগৰাকী মহিলাই আহি যীচুৰ চৰণত সুগন্ধি দ্ৰব্য ঘঁহি দিছিল। শিষ্যসকলে আপত্তি কৰিছিল “এনে হানি কিয়”? যীচুৱে কৈছিল, “তাই উত্তম কাম কৰিলে”, “মোক মৈদাম থোৱা বাবে তাই এই কৰ্ম্ম কৰিলে”। কি আচৰিত এই বাক্যবোৰ!
4
ইয়াৰ পিছত যীচুৰ বাৰজন শিষ্যৰ মাজৰ যিহূদা নামে এজনে ত্ৰিশ টকা ৰূপত প্ৰধান পুৰোহিতৰ হাতত প্ৰতাৰনা কৰি যীচুক শোধাই দিবলৈ সন্মত হৈছিল।
5
নিস্তাৰ পৰ্ব্বৰ সময়ত, যীচুৱে তেওঁৰ শিষ্যসকলৰ লগত শেষ ভোজন কৰিছিল। তেওঁ শিষ্যসকলক ঈশ্বৰৰ প্ৰতিজ্ঞা আৰু তেওঁক প্ৰেম কৰা সকলৰ প্ৰতি তেওঁৰ প্ৰেমৰ বিষয়ে অতি আচৰিত কথাবোৰ কৈছিল। তাৰ পিছত যীচুৱে তেওঁলোকক ৰুটি আৰু পাণ-পাত্ৰ দি তেওঁলোকৰ মাজত ভগাই খাবলৈ দিলে। ই তেওঁলোকক সুঁৱৰাই দিব যে, পাপ ক্ষমাৰ কাৰণে যীচুৰ শৰীৰ আৰু তেজ দিয়া হৈছিল।
6
তাৰ পিছত যীচুৱে তেওঁৰ বন্ধুসকলক কৈছিল যে, তেওঁক প্ৰতাৰণা কৰা হ’ব, আৰু তেওঁলোকে পলাই যাব। পিতৰে দৃঢ়তাৰে কৈছিল, “মই পলাই নাযাওঁ”। যীচুৱে কৈছিল, “কুকৰাই ডাক দিয়াৰ আগতে, তুমি তিনিবাৰ মোক আসৈ মাতিবা”।
7
সেই ৰাতিয়ে যীচুৱে গেৎচিমানী বাৰীত প্ৰাৰ্থনা কৰিবলৈ গৈছিল। তেওঁৰ লগত থকা শিষ্যসকল টোপনি গৈছিল। যীচুৱে প্ৰাৰ্থনা কৰিছিল, “... এই পান-পাত্ৰ মোৰ ওচৰৰ পৰা দূৰ কৰা; তথাপি মোৰ ইচ্ছা নহয়, তোমাৰেই ইচ্ছা সিদ্ধ হওক”।
8
হঠাতে যিহূদাৰ নেতৃত্বত এদল লোক বাৰীলৈ সোমাই আহিছিল। যীচুৱে প্ৰতিবাদ কৰা নাছিল, কিন্তু পিতৰে এজন মানুহৰ কাণ কাটি দিছিল। কোনো কথা নোকোৱাকৈ যীচুৱে মানুহজনৰ কাণখন স্পৰ্শ কৰি সুস্থ কৰি দিছিল। যীচুৱে জানিছিল যে তেওঁক বন্দী কৰাটোও ঈশ্বৰৰ ইচ্ছাৰ এটি অংশ।
9
সেইদলৰ লোকে যীচুক প্ৰধান পুৰোহিতৰ ঘৰলৈ লৈ গৈছিল। তাত যিহূদী চলাওঁতাসকলে কৈছিল যে, যীচু মৰিব লাগিব। দাস দাসীসকলৰ জুইৰ ওচৰত থিয় দি পিতৰে চাই আছিল।
10
পিতৰলৈ লক্ষ্য কৰি তিনিবাৰ লোকসকলে কৈছিল যে, “তুমিও যীচুৰ লগত আছিলা”। ঠিক যীচুয়ে কোৱাৰ দৰেই তিনিবাৰেই পিতৰে অস্বীকাৰ কৰিছিল। পিতৰে আনকি অভিশাপ দি গালিও দিছিল।
11
ঠিক সেই সময়তে কুকৰাই ডাক দিলে। পিতৰলৈ ই যেন ঈশ্বৰৰ কণ্ঠস্বৰ আছিল। যীচুৰ কথা সুঁৱৰণ কৰি পিতৰে শোকেৰে ক্ৰন্দন কৰিলে।
12
যিহূদাও অনুতপ্ত হৈছিল। তেওঁ জানিছিল যে যীচু কোনো ধৰণৰ পাপ বা অপৰাধৰ দোষী নাছিল। যিহূদাই ৩০ টা ৰূপৰ মুদ্ৰা পুৰোহিতসকলৰ ওচৰলৈ লৈ গৈছিল, কিন্তু তেওঁলোকে সেইটো নললে।
13
যিহূদাই পইচাখিনি পেলাই দিলে, আৰু বাহিৰলৈ ওলাই গৈ নিজকে ফাঁচী দিলে।
14
পুৰুহিতসকলে যীচুক ৰোমৰ গৰ্ভনৰ পীলাতৰ ওচৰলৈ আনিলে। পীলাতে ক’লে, “মই হলে তেওঁত একো দোষ পোৱা নাই”। কিন্তু লোকবিলাকে আটাহ পাৰিব ধৰিলে তাক ক্ৰুচত দিয়ক! তাক ক্ৰুচত দিয়ক!”
15
অৱশেষত পীলাতে মান্তি হ’ল, আৰু ক্ৰুচীয় মৃত্যুৰে যীচুক দণ্ড দিলে। সৈন্যসকলে যীচুক ভুকুৱালে, তেওঁৰ মুখত থু পেলালে আৰু তেওঁক চাবুকেৰে কোবালে। দীঘল জোঙা কাঁইটেৰে এটি কিৰিটি সাজি হেঁচা মাৰি তাক যীচুৰ মূৰত সোমাই দিছিল। তাৰ পিছত যীচুক কাঠৰ ক্ৰুচত গজালেৰে বিন্ধি মৃত্যুবৰণ কৰিবলৈ দিলে।
16
যীচুৱে প্ৰতিটো মূৰ্হূত্ততে জানিছোঁ যে সেইদৰেই তেওঁৰ মৃত্যু হ’ব। তেওঁ এইটোও জানিছিল যে, তেওঁক বিশ্বাস কৰা জনৰ কাৰণে তেওঁৰ মৃত্যুৰে তেওঁলোকৰ পাপ ক্ষমা কৰি দিব। দুজন চোৰক যীচুৰ দুয়ো কাষে ক্ৰুচত দিয়া হৈছিল। এজনে যীচুত বিশ্বাস কৰি পৰম দেশলৈ গৈছিল। আন জন নগ’ল।
17
কেইবা ঘণ্টাও যাতনাত কষ্ট পোৱাৰ পিছত, যীচুৱে “সিদ্ধ হ’ল” বুলি কৈ মৃত্যুবৰণ কৰিলে। তেওঁৰ কাম সম্পূৰ্ণ হৈছিল। এটি ব্যক্তিগত মৈদামত তেওঁৰ বন্ধুসকলে তেওঁক সমাধিস্থ কৰিলে।
18